**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-10-2024
**Time :** 21-25 Hrs

## Assamese Night Bulletin

::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলক ২০ শতাংশ পূজাৰ বনাচ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ ১০ লাখৰো অধিক শ্ৰমিক-কৰ্মচাৰীয়ে উপকৃত হ'ব। এই বনাচ আদায়ৰ বাবে ৰাজ্য চৰকাৰে ৭৮ কোটিৰো অধিক টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতৰ পৰীক্ষাৰ বাবে অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি প্ৰাৰ্থীসকলে ৮ অক্টোবৰৰ পৰা ২২ অক্টোবৰ পৰ্যন্ত তেওঁলোকৰ অ' এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনচাৰ কী ৯ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰা উপলব্ধ হ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰিলে ৯ অক্টোবৰৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত আবেদন জনাব পাৰিব।

০০০০০০০

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। ভাষণ প্ৰসঙ্গত মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিয়ে হিতাধিকাৰী সৃষ্টিৰ বিপৰীতে মধ্যবিত্তৰ উন্নয়নৰ বাবে কাম কৰিব। পৰৱৰ্ত্তী তিনিটা বছৰত ৰাজ্য চৰকাৰে এই আঁচনিৰ জৰিয়তে ১০ লাখ ছাত্ৰ-ছাত্ৰীক সামৰি ল'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে প্ৰথম বছৰত উচ্চ শিক্ষা গ্ৰহণকাৰী ৫৭ হাজাৰ ৬৩৫গৰাকী আৰু মাধ্যমিক শিক্ষা গ্ৰহণকাৰী ১ লাখ এহেজাৰ ৪৫৮গৰাকী ছাত্ৰীসহ মুঠ ১ লাখ ৫৯ হাজাৰ ৯৩ গৰাকী ছাত্ৰীক এই আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব। চলিত বিত্তীয় বৰ্ষত এই আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে ২৪০ কোটি টকা অনুদান প্ৰদানৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি দূৰ কৰাৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰিছে। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলী এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি. এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

আজি খানাপাৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিযুত মাইনা আঁচনিৰ অধীনত চেক বিতৰণ কাৰ্যসূচী উদ্বোধন কৰাৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জিলাসমূহতো আঁচনিখনৰ অধীনত চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়।

চৰাইদেউ জিলাৰ মৰাণ মহাবিদ্যালয়ত মন্ত্ৰী যোগেন মহনে এই আঁচনিৰ শুভাৰম্ভ কৰে। উত্তৰ লখিমপুৰ মহাবিদ্যালয়ত আজি নিযুত মইনা আঁচনিৰ অধীনত চেক বিতৰণ কৰা হয়। ইপিনে, যোৰহাটত আজি বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে ৪ হাজাৰ ৫৩৯ গৰাকী ছাত্ৰীক চেক বিতৰণৰ শুভাৰম্ভ কৰে। ধুবুৰী জিলাত ৭ হাজাৰ ৯৬৯ গৰাকী ছাত্ৰীক এই আঁচনিৰ অধীনত চেক বিতৰণৰ শুভাৰম্ভ কৰা হয়। গোলাঘাটত মন্ত্ৰী অজন্তা নেওগে জিলাখনৰ ৫ হাজাৰ ৫৬১গৰাকী ছাত্ৰীক চেক বিতৰণৰ শুভাৰম্ভ কৰে। কাৰ্বি আংলং জিলাত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০০০

ডুবাইত অনুষ্ঠিত মহিলাৰ টি-২০ বিশ্বকাপত আজি ভাৰতে পাকিস্তানৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১০৫ ৰান কৰে। যোৱা শুকুৰবাৰে পাকিস্তানে ইয়াৰ প্ৰথমখন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন খেলত পৰাজিত হয়। আজিৰ খেলখনত জয়লাভ কৰাৰ লগে লগে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন  ভাৰতীয় দলটোৱে প্ৰথমটো পইণ্ট অৰ্জন কৰিবলৈ সক্ষম হয়।

০০০০০০০

মালয়েছিয়াত অনুষ্ঠিত হবলগীয়া জোহৰ কাপৰ দ্বাদশ সংস্কৰণৰ বাবে ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলটো আজি ঘোষণা কৰা হয়। আমিৰ আলিক দলটোৰ অধিনায়ক হিচাপে নিযুক্তি দিয়াৰ বিপৰীতে ৰোহিত ভাইছক উপ অধিনায়ক ঘোষণা কৰা হয়। উল্লেখযোগ্য যে ভাৰতীয় দলটোৱে ১৯ অক্টোবৰত জাপানৰ বিৰুদ্ধে খেলত অৱতীৰ্ণ হৈ প্ৰতিযোগিতাখনত যাত্ৰা আৰম্ভ কৰিব। ইয়াৰ পাছত দলটোৱে  ২০ অক্টোবৰত গ্ৰেট ব্ৰিটেইন, ২২ অক্টোবৰত মালয়েছিয়া, ২৩ অক্টোবৰত অষ্ট্ৰেলিয়া আৰু ২৫ অক্টোবৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোত বিক্ৰম জিৎ সিং আৰু আলিখানক গ'লৰক্ষক হিচাপে অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে অধিনায়ক আমিৰ আলী, উপ অধিনায়ক ৰোহিত, তালেম  প্ৰিয়বৰ্তা, সাৰদানন্দ তিৱাৰী, সুখৱিন্দৰ আৰু আনমোল এক্কাক ডিফেণ্ডাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে । অংকিত পুাল, মনমীত সিং, ৰোছন কুজুৰ, মুকেশ টপ্পো আৰু চন্দন যাদৱে মিডফিল্ডাৰ হিচাপে দলত অংশ লাভ কৰাৰ বিপৰীতে গুৰজোৎ সিং, সৌৰভ আনন্দ কুশৱাহা, দিলৰাজ সিং, আৰ্শদীপ সিং আৰু মহম্মদ কনন ডেডে ফৰৱাৰ্ড হিচাপে দলত স্থান লাভ কৰিছে ।

০০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত দুদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। আজি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। আজি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হয়। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী কুষ্মাণ্ডাৰ আশীষ বিচৰাৰ লগতে সকলোৱে জীৱন সুন্দৰ হোৱাৰ কামনা কৰে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ